**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 21-12-2025**
**Time :** 21-25 Hrs

# ASSAMESE NIGHT BULLETIN

**::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::**

অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলত উন্নয়নৰ নতুন যুগৰ সুচনা হৈছে আৰু অসমৰ উন্নয়নৰ যাত্ৰাৰ এয়া আৰম্ভণিহে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে। নামৰূপ সাৰ কাৰখানাত আজি নতুন ব্ৰাউনফিল্ড এমনিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে এইদৰে কয়। তেওঁ অসমক আহোম ৰাজত্বৰ সোণোৰালী দিনবোৰৰ দৰে শক্তিশালী কৰি তোলা হ'ব বুলি উল্লেখ কৰে। নামৰূপৰ নতুন এম'নিয়া ইউৰিয়া প্ৰকল্পৰ বাবে কৃষক ৰাইজক অভিনন্দন জনাই প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে বিকশিত ভাৰতৰ লক্ষ্য প্ৰাপ্তিৰ ক্ষেত্ৰত অন্নদাতাসকলৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। তেওঁ কয়, যে নামৰূপত নিৰ্মাণ হ'বলগীয়া এই প্ৰকল্পত বছৰি ১২ লাখ মেট্ৰিক টনতকৈ অধিক সাৰ উৎপাদন কৰা হ'ব। অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ উন্নয়নৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে বিশেষ গুৰুত্ব আৰোপ কৰিছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে অসমৰ প্ৰতিটো ঐতিহ্য অমূল্য সম্পদ আৰু ইয়াৰ প্ৰসাৰৰ বাবে চৰকাৰে প্ৰচেষ্টা অব্যাহত ৰাখিছে।

*(বাইট ঃ মোদী)*

অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অসমে আজি বিকাশ আৰু উন্নয়নৰ নতুন আকাশ চুবলৈ সক্ষম হৈছে বুলি মন্তব্য কৰে। তেওঁ লগতে কয় যে বিকাশমুখী কাম-কাজ আৰু অস্তিত্ব ৰক্ষাৰ যুঁজেৰে চৰকাৰে ৰাজ্যখনত ভৱিষ্যৎ প্ৰজন্মৰ বাবে সুৰক্ষিত কৰিবলৈ প্ৰয়াস কৰিছে।

উল্লেখযোগ্য যে, বিশ্বমানৰ এই প্ৰকল্পৰ উৎপাদন ক্ষমতা হৈছে বছৰি ১২ লাখ ৭০ হাজাৰ মেট্ৰিকটন আৰু ইয়াৰ পৰা প্ৰতিদিনে দুহেজাৰ ২০০ মেট্ৰিকটন এমনিয়া আৰু তিনি হাজাৰ ৮৫০ মেট্ৰিকটন ইউৰিয়া উৎপাদনৰ লক্ষ্য লোৱা হৈছে। ১০ হাজাৰ ৬০০ কোটি টকা ব্যয়ৰে ২০৩০ চনৰ ভিতৰত কাৰ্যক্ষম হ'বলগীয়া এই প্ৰকল্পই ৰাজ্যখনক ঔদ্যোগীক দিশত যথেষ্ট লাভান্বিত কৰিব বুলি আশা কৰা হৈছে।

০০০০

গ্ৰাম্য নিয়োগ নীতি পৰিৱৰ্তনৰ ক্ষেত্ৰত উল্লেখযোগ্য মাইলৰ খুঁটি হিচাপে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি বিকশিত ভাৰত জি ৰাম জী বিধেয়ক ২০২৫ত অনুমোদন জনায়। ৰাষ্ট্ৰপতিৰ স্বাক্ষৰৰ পাছতেই শীতকালীন অধিবেশনত গৃহীত হোৱা বিধেয়কখন আইনত পৰিণত হয়। উল্লেখযোগ্য যে পূৰ্বৰ এম জি এনৰেগা আইনৰ পৰিৱৰ্তে বি ভি জি ৰাম জী বিধেয়কখন অনা হৈছে। ইয়াৰ জৰিয়তে গ্ৰামাঞ্চলৰ নিবনুৱা লোকসকলক ১২৫টা কৰ্মদিনৰ নিশ্চয়তা প্ৰদান কৰা হৈছিল। এই আইনে গ্ৰামাঞ্চলৰ আন্তঃগাঁথনি উন্নয়ন আৰু দৰিদ্ৰতা নিৰ্মূলৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰা হৈছে।

০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত কামৰূপ মহানগৰ জিলাৰ জিলা আৰু ছেছন ন্যায়াধীশৰ আদালতত কাইলৈ প্ৰথমটো শুনানি গ্ৰহণ কৰা হ'ব। চৰকাৰী সূত্ৰই প্ৰকাশ কৰা অনুসৰি বাক্সা আৰু হাফলঙৰ কাৰাগাৰত বন্দী হৈ থকা সাতজন অভিযুক্তক ভাৰ্চুৱেল ব্যৱস্থাৰে আদালতত হাজিৰ কৰোৱা হ'ব। উল্লেখযোগ্য যে জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাত হত্যা সম্পৰ্কীয় ধাৰা সন্নিৱিষ্ট হৈ থকাৰ পৰিপ্ৰেক্ষিতত মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতে যোৱা ১৬ ডিচেম্বৰত সমগ্ৰ বিষয়টো বিচাৰৰ বাবে ছেছন ন্যায়াধীশৰ আদালতলৈ প্ৰেৰণ কৰে।

০০০০

অসমীয়া, বাংলা, বড়ো ভাষাৰ লগতে মিচিং, কাৰ্বি, নেপালীকে ধৰি অসমৰ আন জনগোষ্ঠীয় ভাষাত সাহিত্য চৰ্চা কৰা ৮১৮গৰাকী ৪০ বছৰ অনুৰ্দ্ধ লেখক-লেখিকাক যুৱ লেখক সন্মানৰ বাবে বাছনি কৰা হৈছে। শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰিছে। নিৰ্বাচিত লেখক-লেখিকাসকলক অহা ২৪ ডিচেম্বৰত খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আয়োজিত অসম গ্ৰন্থমেলা প্ৰাঙ্গনত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সম্বৰ্দ্ধনা জনাব। সৃষ্টিশীল সাহিত্য চৰ্চাৰ বাবে লেখক-লেখিকাসকলক অনুপ্ৰেৰণা যোগোৱাৰ উদ্দেশ্যে তেওঁলোকক ২৫ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব।

০০০০

কাৰ্বি আংলং জিলা লেখিকা সমাৰোহ সমিতিৰ চতুৰ্থ দ্বিবাৰ্ষিক অধিবেশন আজি ডিফুত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। সমিতিৰ সভানেত্ৰী সাৱিত্ৰী গগৈৰ সভাপতিত্বত অনুষ্ঠিত মুকলি অনুষ্ঠানত বিশিষ্ট লেখক, সাংবাদিক পৱিত্ৰ বৰাই **জোনাক** শীৰ্ষক মুখপত্ৰখন উন্মোচন কৰে। শ্ৰীবৰাই নাৰীয়ে নিজৰ সাধনাৰ ধাৰাবাহিকতা অব্যাহত ৰাখি সাহিত্যৰ ভঁৰাল চহকী কৰিবলৈ সমৰ্থ হৈছে বুলি উল্লেখ কৰে। অনুষ্ঠানত সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ উপদেষ্টা স্বৰ্ণ বৰুৱা গগৈ মুখ্য অতিথি হিচাপে উপস্থিত থাকে।

০০০০

**ঃঃ সমাপ্ত ঃঃ**